# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 30-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি আগশাৰীৰ অৰ্থনীতিবিদ আৰু বিশেষজ্ঞসকলৰ সৈতে নীটি আয়োগৰ এখন বৈঠকত ভাগ ল'ব।

২। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে দেশবাসীক ধৰ্মীয় সম্প্ৰীতিৰে সমাজৰ উন্নয়ন আৰু মংগলৰ বাবে একেলগে কাম কৰিবলৈ আহ্বান জনাইছে।

৩। কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱে অন্য ৰাজ্যসমূহত উত্তৰ-পূৰ্বাঞ্চলৰ লোকসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে দিল্লীৰ দৰে আৰক্ষীৰ বিশেষ গোট গঠনৰ পোষকতা কৰিছে।

৪। কেন্দ্ৰীয় মন্ত্ৰী কিঞ্জাৰাপু ৰাম মোহন নাইডুৱে আজি বেংগালুৰুত ধ্ৰুৱ এন জি হেলিকপ্টাৰৰ প্ৰথমটো উৰণৰ পতাকা জোকাৰি শুভাৰম্ভ কৰিব। *আৰু*

৫। ভাৰতৰ মহিলা ক্ৰিকেট দলটো আজি শ্ৰীলংকাৰ বিৰুদ্ধে পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি আগশাৰীৰ অৰ্থনীতিবিদ আৰু বিষয় বিশেষজ্ঞৰ সৈতে নীতি আয়োগৰ এখন বৈঠকত মিলিত হ'ব। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণেও বিস্তৃত অৰ্থনৈতিক বিষয়ত গুৰুত্ব দিয়াৰ সম্ভাৱনা থকা এই বৈঠকত অংশগ্ৰহণ কৰিব। এই বৈঠকখনে দেশৰ বৰ্তমানৰ অৰ্থনৈতিক পৰিস্থিতি আৰু ভৱিষ্যতৰ অগ্ৰাধিকাৰ সন্দৰ্ভত বিশেষজ্ঞসকলৰ মতামত আৰু মূল্যায়ন ভাগ-বতৰা কৰাৰ মঞ্চ হিচাপে কাম কৰাৰ সম্ভাৱনা আছে।

শ্ৰীমোদীয়ে বৈঠকত সমাগত কেন্দ্ৰীয় বাজেট সন্দৰ্ভত অৰ্থনীতিবিদসকলৰ পৰামৰ্শ আৰু দৃষ্টিভংগী গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। অৰ্থনৈতিক উন্নয়ন শক্তিশালী কৰা আৰু এইক্ষেত্ৰত থকা প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ অধিক সংস্কাৰৰ প্ৰয়োজন হ'ব পৰা ক্ষেত্ৰসমূহো এই বৈঠকৰ আলোচনাই সামৰি লোৱাৰ সম্ভাৱনা আছে। উন্নয়নৰ সম্ভাৱনা, বিত্তীয় ব্যৱস্থাপনা আৰু দীৰ্ঘম্যাদী উন্নয়ন বজাই ৰাখিবলৈ প্ৰয়োজনীয় গাঁথনিগত ব্যৱস্থা সন্দৰ্ভত বিশেষজ্ঞসকলে নিজৰ মতামত দাঙি ধৰাৰ সম্ভাৱনা আছে। চৰকাৰে পৰৱৰ্তী পৰ্যায়ৰ অৰ্থনৈতিক পৰিকল্পনাৰ বাবে প্ৰস্তুতি চলোৱাৰ লগে লগে নিটি আয়োগত এই পাৰস্পৰিক আলোচনাই সঠিক অন্তৰ্দৃষ্টি প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

ooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে দেশবাসীক ধৰ্মীয় সম্প্ৰীতিৰে সমাজৰ উন্নয়ন আৰু মংগলৰ বাবে একেলগে কাম কৰিবলৈ আহ্বান জনাইছে। কালি তিৰুৱনন্তপুৰমৰ এল এম এছ গীৰ্জা চৌহদত বৰদিন আৰু নৱবৰ্ষ উদযাপনৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি উপ-

ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে সকলো মানুহে জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে একেলগে একোটা ধৰ্মীয় উৎসৱ উদযাপন কৰিলে সাম্প্ৰদায়িক সম্প্ৰীতি আৰু উন্নয়নৰ প্ৰকৃত মনোভাৱৰ উমান পোৱা যায়।

আজি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰ্কলাত ৯৩ সংখ্যক শিৱগিৰি তীৰ্থযাত্ৰাত অংশগ্ৰহণ কৰিব, তাৰ পিছত তিৰুৱনন্তপুৰমৰ মাৰ ইভানিয়ছ কলেজৰ হীৰক জয়ন্তী উদযাপনৰ সামৰণি সভা উদ্বোধন কৰিব।

ooooo

কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে অন্য ৰাজ্যসমূহত উত্তৰ-পূৰ্বাঞ্চলৰ লোকসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে দিল্লীৰ দৰে আৰক্ষীৰ বিশেষ গোট গঠনৰ পোষকতা কৰিছে। ডেৰাডুনত ত্ৰিপুৰাৰ এগৰাকী শিক্ষাৰ্থীয়ে আক্ৰমণৰ বলি হৈ মৃত্যুক আঁকোৱালি লোৱাৰ ঘটনাত গভীৰ উদ্বেগ প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এনে আক্ৰমণ সমাজৰ বাবে ক্ষতিকাৰক। উত্তৰাখণ্ডৰ চৰকাৰে আক্ৰমণৰ সৈতে জড়িত ৫ জন অভিযুক্তক গ্ৰেপ্তাৰ কৰা বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহ যোৱা নিশা অসমৰ পৰা গৈ পশ্চিমবংগত উপস্থিত হয়। এলানি দলীয় বৈঠক আৰু কাৰ্যসূচীত ভাগ লোৱাৰ উদ্দেশ্যে কেন্দ্ৰীয় মন্ত্ৰীগৰাকী পশ্চিমবংগলৈ গৈছে। মন্ত্ৰীগৰাকীক কালি ডম ডম বিমান বন্দৰত ৰাজ্যিক বিজেপিৰ সভাপতি সমিক ভট্টাচাৰ্য আৰু বিৰোধী নেতা সুভেন্দু অধিকাৰীয়ে আদৰণি জনায়। ভ্ৰমণকালত গৃহমন্ত্ৰীগৰাকীয়ে দলৰ কৰ্মকৰ্তাসকলৰ সৈতে আজি কেইবাখনো উচ্চস্তৰীয় বৈঠকত ভাগ ল'ব। ইয়াৰে প্ৰথমখন বৈঠক বিধান নগৰত অনুষ্ঠিত হ'ব। মন্ত্ৰীগৰাকীয়ে কাইলৈ দলৰ নেতা-কৰ্মীসকলৰ সৈতে ৰাজ্যখনৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচনী কৌশল আলোচনা কৰিবলৈ আন কেইবাখনো বৈঠকত অংশগ্ৰহণ কৰাৰ কথা আছে।

ooooo

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা DRDO ই চণ্ডীপুৰৰ ইন্টিগ্ৰেটেড টেষ্ট ৰেঞ্জত পিনাকা দীৰ্ঘ দূৰত্বৰ গাইডেড ৰকেটৰ প্ৰথম উৰণ পৰীক্ষা সফলতাৰে সম্পন্ন কৰিছে। পৰিকল্পনা অনুসৰি উৰণৰ সময়ত সকলো কৌশল প্ৰদৰ্শন কৰি ৰকেটটোৰ সৰ্বোচ্চ ১২০ কিলোমিটাৰ দূৰত্বৰ বাবে পৰীক্ষা কৰা হৈছিল। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা মতে, লং ৰেঞ্জ গাইডেড ৰকেটে নিখুঁতভাৱে লক্ষ্যত উপনীত হয়। এই ৰকেটটো অস্ত্ৰ গৱেষণা আৰু উন্নয়ন প্ৰতিষ্ঠানে High energy materials research laboratoryৰ সহযোগত ডিজাইন কৰিছিল। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই কৃতিত্বৰ বাবে ডি আৰ ডি অ'ক অভিনন্দন জনায়। তেওঁ কয় যে দীৰ্ঘ দূৰত্বৰ গাইডেড ৰকেটৰ সফল ডিজাইন আৰু বিকাশে সশস্ত্ৰ বাহিনীৰ সামৰ্থ্য বৃদ্ধি কৰিব।

ooooo

কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী কিঞ্জাৰাপু ৰাম মোহন নাইডুৱে আজি বেংগালুৰুত ধ্ৰুৱ এন জি হেলিকপ্টাৰৰ প্ৰথমটো উৰণৰ পতাকা জোকাৰি শুভাৰম্ভ কৰিব। হিন্দুস্তান এৰ'ন'টিক্স লিমিটেডে এন জি, অৰ্থাৎ নেক্সট জেনেৰেচন ধ্ৰুৱ হেলিকপ্টাৰখনক অসামৰিক পৰিবহণৰ বাবে সাজু কৰি তুলি চলিত বৰ্ষৰ এৰ' ইণ্ডিয়া প্ৰদৰ্শনীত দেশবাসীৰ আগত দাঙি ধৰিছিল। ৬ৰ পৰা ১৪ গৰাকী যাত্ৰী কঢ়িয়াব পৰা এই

হেলিকপ্টাৰখনক পৰ্যটন তথা পৰিবহণৰ লগতে দুৰ্যোগ আৰু বানৰ ব্যৱস্থাপনাৰ দৰে অসামৰিক খণ্ডত ব্যৱহাৰ কৰা হ'ব। হেলিকপ্টাৰখনত থলুৱাভাৱে বিকশিত **শক্তি** ইঞ্জিন ব্যৱহাৰ কৰা হৈছে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দিল্লী, হাৰিয়ানা, চণ্ডিগড়, উত্তৰ প্ৰদেশ আৰু পঞ্জাৱত আজি আৰু কাইলৈ অতি ঘন কুঁৱলীৰ সৰ্তকবাণী দিছে। জম্মু-কাশ্মীৰ, লাডাখ, গিলগিট, হিমাচল প্ৰদেশ আৰু মধ্যপ্ৰদেশত আজি পৰ্যন্ত ঘন কুঁৱলীয়ে জীৱন যাত্ৰা ব্যাহত কৰিব পাৰে বুলি বিভাগে জানিবলৈ দিছে। ইপিনে আজিৰ দিনটোতো বিহাৰ, ঝাৰখণ্ড, ওড়িশা, চণ্ডিগড় আৰু উত্তৰাখণ্ডৰ অঞ্চল বিশেষে শীতপ্ৰবাহ অব্যাহত থাকিব বুলি বিভাগে প্ৰকাশ কৰিছে। ইয়াৰ বিপৰীতে বিভাগে প্ৰকাশ কৰা অনুসৰি আজি আৰু কাইলৈৰ দিনটোত আন্দামান নিকোবৰ দীপপুঞ্জত ধুমুহা বতাহৰ আশংকা আছে। আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা সাক্ষাৎকাৰত দিল্লী বিমান বন্দৰৰ এগৰাকী বিষয়াই কয়, যে অতি ঘন কুঁৱলীৰ পৰিপ্ৰেক্ষিতত দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত কালিৰ দিনটোতে শতাধিক বিমানৰ উৰণ বাতিল কৰিবলগীয়া হয়।

ooooo

মুম্বাইৰ পশ্চিম ভান্দুপ অঞ্চলত যোৱা নিশা সংঘটিত এটা শোকাৱহ বাছ দুৰ্ঘটনাত ৪ গৰাকী লোকৰ মৃত্যু হয়। নিশা প্ৰায় ১০ বজাত সংঘটিত দুৰ্ঘটনাটোত অন্য ৯ গৰাকী লোক আহত হোৱাৰ বাতৰি আহিছে। বৃহনমুম্বাই ইলেকট্ৰিক ছাপ্লাই এণ্ড ট্ৰান্সপৰ্টৰ এখন বাছে পথচাৰীক মহতিয়াই নিয়াৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। নিহতসকলৰ ভিতৰত ৩ গৰাকী মহিলা আছিল বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। আহত লোকসকলক নিকটৱৰ্তী চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। বাছখনৰ চালকক আৰক্ষীয়ে ইতিমধ্যে আটক কৰিছে।

মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছে দুৰ্ঘটনাত নিহত চাৰিওগৰাকী লোকৰ নিকটাত্মীয়ক ৫ লাখ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰিছে। এই দুৰ্ঘটনাক অতি দুৰ্ভাগ্যজনক বুলি আখ্যা দি তেওঁ নিহত লোকসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

ooooo

ইণ্ডোনেছিয়াত চুলাৱেছি দ্বীপৰ মানাডো চহৰৰ এটা অৱসৰ গৃহত অগ্নিকাণ্ডৰ ফলত ১৬ জন লোকৰ মৃত্যু হয়। আজি মানাডো আৰক্ষী অধীক্ষকে জনোৱা অনুসৰি, যোৱা পৰহি নিশা উত্তৰ চুলাৱেছি প্ৰদেশৰ ৱেৰ্ধা দমাই অৱসৰ গৃহত বাসিন্দাসকল শুই থকাৰ সময়তে অগ্নিকাণ্ড সংঘটিত হয়।

এই অগ্নিকাণ্ডত ১৫ জন বাসিন্দাৰ মৃত্যু হোৱাৰ লগতে এজন ভুক্তভোগীৰ মৃতদেহ অক্ষত অৱস্থাত উদ্ধাৰ কৰা হৈছে। আন ১৫ জন আহত লোক বৰ্তমান মানাডোৰ দুখন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। কাষৰীয়া বাসিন্দাসকলে জৰুৰীকালীন সেৱাক সতৰ্ক কৰি দিয়াৰ পিছত অগ্নিনিৰ্বাপক বাহিনীয়ে ছটা অগ্নিনিৰ্বাপক বাহিনীৰ ইঞ্জিন ব্যৱহাৰ কৰি জুই নিয়ন্ত্ৰণ কৰিবলৈ দুঘণ্টাৰো অধিক সময় লয়। আৰক্ষীৰ প্ৰাৰম্ভিক প্ৰতিবেদনত বৈদ্যুতিক বিজুতিৰ বাবে এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি কোৱা হৈছিল যদিও পাছত কৰ্তৃপক্ষই জনায় যে ইয়াৰ সঠিক কাৰণৰ বাবে এতিয়াও তদন্ত অব্যাহত আছে।

০০০০০

ভাৰতৰ মহিলা ক্ৰিকেট দলটো আজি শ্ৰীলংকাৰ বিৰুদ্ধে পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত অৱতীৰ্ণ হ'ব। খেলখন কেৰালাৰ তিৰুৱনন্তপুৰমৰ গ্ৰীন ফিল্ড আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। হৰমন প্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে ইতিমধ্যে শৃংখলাৰ চাৰিখন খেলত বিজয় অৰ্জনেৰে অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। শৃংখলাত দেওবাৰে অনুষ্ঠিত চতুৰ্থখন খেলত ঘৰুৱা দলটোৱে ৩০ ৰানৰ ব্যৱধানত জয়লাভ কৰিছিল।

পৰৱৰ্তী বৰ্ষৰ জুন-জুলাইত হ'বলগীয়া মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰস্তুতিৰ প্ৰতি লক্ষ্য ৰাখি চলিত শৃংখলাটো ভাৰতীয় দলৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে। অহা মাহত হ'বলগীয়া মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত অংশ ল'বলগীয়া খেলুৱৈসকলেও এই শৃংখলাৰ জৰিয়তে প্ৰস্তুতিৰ সুযোগ লাভ কৰিছে।

০০০০০

ভাৰতৰ অৰ্জুন এৰিগাইচিয়ে কাটাৰৰ ডোহাত চলি থকা চলিত বৰ্ষৰ এফ আই ডি ই বিশ্ব ব্লিট্‌জ ডবা প্ৰতিযোগিতাৰ প্ৰথম দিনৰ অন্তত পইণ্ট তালিকাৰ শীৰ্ষ স্থানত উপনীত হৈছে। প্ৰতিযোগিতাৰ মুকলি শিতানত ১৩টা ৰাউণ্ডৰ অন্তত লাভ কৰা ১০ পইণ্টৰ সুবাদত খেলুৱৈগৰাকী সম্প্ৰতি মেক্সিম ভাছিয়াৰ লাগ্ৰেভ আৰু ফেবিয়ানো কাৰোৱানাৰ সৈতে পইণ্ট তালিকাৰ শীৰ্ষত আছে। প্ৰতিযোগিতাত খেলুৱৈগৰাকীয়ে কালি নৱম ৰাউণ্ডত নৰৱেৰ গ্ৰেণ্ড মাষ্টাৰ মেগনাছ কাৰ্লচেনক প্ৰৰাস্ত কৰে।

০০০০০

শ্ৰাচি বেংগল টাইগাৰ্ছে কালি ৰাঁচিৰ মাৰাং গোমকে জয়পাল সিং মুণ্ডা এষ্ট্ৰ'টাৰ্ফ ষ্টেডিয়ামত অনুষ্ঠিত ২০২৫-২৬ বৰ্ষৰ মহিলাৰ হিৰ' হকী ইণ্ডিয়া লীগ প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত জে এছ ডব্লিউ সুৰমা হকী ক্লাবক ১-০ ফলাফলত পৰাস্ত কৰে। দলটোৰ হৈ আগষ্টিনা গৰ্জিলেনিয়ে বিজয়সূচক গ'লটো দিয়ে।

দৰ্শকসকলে প্ৰতিযোগিতাৰ খেলসমূহৰ পোনপটীয়া সম্প্ৰচাৰৰ বাবে ডি ডি স্পৰ্টছ, ছনি স্পৰ্টছ টেন ৱান আৰু ছনি স্পৰ্টছ টেন থ্ৰী চেনেল চাব পাৰিব। হকী ইণ্ডিয়া লীগ আৰু ৱেভছ ইউটিউব চেনেলৰ জৰিয়তে প্ৰতিযোগিতাৰ খেলসমূহৰ পোনপটীয়া সম্প্ৰচাৰৰ দিহা কৰা হৈছে।

০০০০০

এছিয়ান চেম্পিয়নশ্বিপছৰ সোণৰ পদক বিজেতা মধ্যপ্ৰদেশৰ নীৰু ধাণ্ডাই দিল্লীৰ ড০ কৰ্ণি সিং ৰেঞ্জত চলি থকা ৰাষ্ট্ৰীয় শ্যুটিং চেম্পিয়নশ্বিপৰ মহিলাৰ ট্ৰেপ শিতানত সোণৰ পদক দখল কৰিছে। একেটা শিতানত দিল্লীৰ কীৰ্তি গুপ্তাই ৰূপৰ আৰু মধ্যপ্ৰদেশৰ প্ৰগতি ডুবেই ব্ৰঞ্জৰ পদক দখল কৰে।

০০০০০

সমাপ্ত